কৰিবলগীয়া হয়! এই ৰোগবিধেই এনেকুৱা যে—ৰোগীজনক পৰিয়ালৰ আন আন সদস্যৰ পৰা আৰু ঘৰখনক সমাজৰ পৰা একাষৰীয়া কৰে, তেনে ক্ষেত্ৰত আমাৰেই সমাজৰ সেই বীজাণু সদৃশ মানুহবোৰে, ৰোগী আৰু ঘৰখনৰ আন আন সদস্যক মানসিক কষ্ট প্ৰদান কৰি ৰোগী আৰু ঘৰখনক বৰ যন্ত্ৰণা দিয়ে। বহুতে এনেকুৱা ব্যৱহাৰ কৰে যেন কোনোবাই বেমাৰটো বজাৰৰ পৰা কিনিহে অনিছেগৈ!

সঘনাই ফোন কৰা, অকণমান সাহস দিয়া, অত্যাৱশ্যকীয় সামগ্ৰীৰ যদি অভাৱ হৈছে নিৰ্দিষ্ট দূৰত্বৰ পৰা যোগান ধৰা—এইবোৰ সামাজিক প্ৰাণী হিচাপে আমাৰ কৰ্তব্য। নিকৃষ্ট মানসিকতাৰ এই মানুহবোৰে হয়তো ভাবি আছে যে তেওঁলোকৰ কোনোদিনেই বেমাৰ অথবা আন একো সমস্যা নহ'ব!

আমি সজাগ হ'ব লাগিব, আনকো সজাগ কৰিব লাগিব আৰু কৰ'নাকো পৰাজিত কৰিব লাগিব, কিন্তু সজাগতাৰ নামত অত্যাচাৰী অথবা অমানৱীয় হ'ব নালাগে। কাৰোবালৈ ফোন এটা কৰি খবৰ ল'লে ফোনত বীজাণু নাযায়, যদি ৰোগীৰ ঘৰত অত্যাৱশ্যকীয় সমগ্ৰীৰ অভাৱ, তেন্তে নিজক ভালকৈ আবৰি ৰাখি দূৰৰ পৰা ৰোগীৰ ঘৰৰ সন্মুখত সেই দ্ৰব্য দি থৈ আহিলেও বীজাণু নাহে। বহুজনে মানৱীয় প্ৰমূল্য ৰাখি নিজক বচাই এনে ধৰণৰ কাম কৰিয়েই আছে। হয়তো সেইসকলৰ বাবেই আমি নিজকে এতিয়াও মানুহ আৰু সামাজিক প্ৰাণী বুলি কথাষাৰ ক'ব পৰা হৈ আছোঁ।

**উৎপল কটকী,**
মহিমাবাৰী, তিতাবৰ, যোৰহাট-৭৮৫৬৩০,
ফোন ঃ ৯৮৬৪৩৯১৪০৭

## আমেৰিকাত আপেল

যোৱা ১৬ জুলাই সংখ্যা প্ৰান্তিকত প্ৰকাশিত 'আমেৰিকাৰ চিঠি' শিতানত প্ৰকাশিত আমেৰিকাত আপেল শীৰ্ষক অৰনী কুমাৰ শৰ্মাৰ প্ৰবন্ধটো পঢ়ি ভাল লাগিল। লেখকে হিমাচল প্ৰদেশ আৰু কাশ্মীৰত প্ৰচুৰ পৰিমাণে আপেল উৎপাদন হোৱাৰ কথা জানে বুলিও উল্লেখ কৰিছে।

এইখিনিতে উল্লেখ কৰিব খোজোঁ যে আমাৰ কাষৰে অৰুণাচল প্ৰদেশতো, বিশেষকৈ পূৰ্বৰ কামেং জিলা আৰু নামনি সোৱণশিৰি জিলাত উন্নত মানৰ আপেল উৎপন্ন হয়।

প্ৰায় দুটা দশকৰো আগেয়ে বমডিলাৰ ওচৰৰ ৰূপাৰ পৰা কালাকটাং অভিমুখে যোৱাৰ পথত বাটতে এখন প্ৰকাণ্ড আপেলৰ বাগিচাত সোমোৱাৰ লগতে তাৰ পৰা আপেল লৈ অহাৰ সৌভাগ্য হৈছিল। ৰঙা ৰঙৰ লগতে নাচপতি ৰঙৰ আপেলো তাত পোৱা গৈছিল। পাঁচজোপা ৰঙা ৰঙৰ আপেল ৰোৱাৰ পাছত এজোপা নাচপতি ৰঙৰ আপেল গছ ৰোৱাৰ পদ্ধতিৰ কথা বাগিচাৰ মালিকজনে উল্লেখ কৰিছিল। সেই বাগিচাৰ আপেল ইমান ৰসাল আৰু সুস্বাদু আছিল যে তেনে স্বাদৰ আপেল দ্বিতীয়বাৰ লোৱাৰ সৌভাগ্য মোৰ হোৱা নাই। কিন্তু সম্ভৱতঃ যাতায়াতৰ অসুবিধাৰ বাবেই সেই আপেলে অসমৰ বজাৰেই দখল কৰিব নোৱাৰিলে। আজিও সেই বাগিচা বৰ্তি আছেনে নাই নাজানো। কিন্তু সেই বাগিচাৰ খবৰ তেতিয়াৰ দিল্লীৰ দূৰদৰ্শনৰ অনুষ্ঠানত প্ৰচাৰ কৰাৰ কথা মনত পৰে।

**অমৃত কুমাৰ ঠাকুৰ,**
পূৰ্ণিমা এনক্লে'ভ, ই-৩, চতুৰ্ভূজ পথ, জয়ানগৰ,
ডাক ঃ খানাপাৰা, গুৱাহাটী-৭৮১০২২,
ফোন ঃ ৮৬৩৮৬২০০১৯

## হাল উঠা পৰ্বটি ক'ত হেৰাল

বাৰিষাৰ পথাৰত কৃষকৰ ব্যস্ততাৰ অন্ত নাই। এই ব্যস্ততাৰ ওচৰত শ্ৰমেও হাৰ মানে। বাৰিষাৰ পথাৰত কৃষকে যিদৰে প্ৰথম গুছি লোৱা বা গছি লোৱা পৰ্বৰে ধান ৰোৱা আৰম্ভ কৰে, সেইদৰে মাটিখিনি ৰোৱা শেষ হোৱাৰ দিনাও অন্য এটা পৰ্বৰে বছৰ দিনলৈ ৰোৱা কাৰ্যৰ মোখনি মাৰে। সেই পৰ্বটি হৈছে—'হাল উঠা'। বাৰিষাৰ ৰ'দ, বতাহ, বৰষুণৰ সৈতে একাত্ম হৈ মাটিখিনি ৰোৱাৰ অন্তত কঠীয়া পৰা মাটিডৰাও ৰুই থ'বলৈ কৃষকৰ উলাহ জাগে। সেইদিনাই হয় হাল উঠা পৰ্বটি। হাল উঠাৰ দিনা হালোৱাই গৰুহালক ভালদৰে গা-পা ধুৱায়। সেৱা জনাই ঘাঁহ খাবলৈ দি পথাৰত ব্যৱহৃত হাল, কোৰ, মৈ, নাঙল, যুঁৱলি সকলো পৰিষ্কাৰকৈ ধুই-পখালি ঘৰলৈ আহোঁতে লৈ আহে। ৰোৱণীয়ে ৰোৱা শেষ হ'লে মাটিডৰাৰ দক্ষিণ-পূব দিশত কঠীয়াৰে এটা ভঁৰাল সাজে আৰু তাৰ সোঁমাজত এমুঠি কঠীয়া থিয়কৈ পুতি দিয়ে; ৰোৱণীগৰাকীয়ে সাজি লোৱা কঠীয়াৰ ভঁৰালটোলৈ আন ডবা মাটিৰ পৰা হাতেৰে আঁজলি আঁজলিকৈ পানী ছটিয়াই কয়—"হাতৰ সাৰ ভৰিৰ সাৰ গোছে গোছে ভাৰ ভাৰ" আৰু মহালক্ষ্মীক সেৱা জনায়। হালোৱা-ৰোৱণী পৰস্পৰে বোকা ছটিয়াই বোকাৰে লুতুৰি-পুতুৰি হয়।

হাল উঠা পৰ্বটিত চুবুৰিৰ হালোৱা-ৰোৱণীয়ে ইঘৰে-সিঘৰক সহায় কৰি দিয়ে। হাল উঠাৰ দিনা গৃহস্থৰ ঘৰত 'হাল উঠা ভাত' সাঁজৰ আয়োজন চলে। আবেলি আহুধানৰ পিঠাগুৰিৰ পিঠা (খোলা চাপৰি, কলপাতত বন্ধা পিঠা, কল পিঠা) খোৱাটো আছিল পৰম্পৰা। সন্ধ্যা গোহালিত আটাইকেইটা গৰুকে পিঠা খাবলৈ দিয়া হৈছিল। হাল উঠাৰ দিনা ৰাতিৰ ভাত সাঁজৰ বাবে বহুত আয়োজন—ছাগলী বা হাঁহৰ মাংস আছিল প্ৰধান। বাকী মাছ-পাচলিৰ কথা নক'লোৱেই যেনিবা। শৈশৱ-কৈশোৰৰ সেই দিনটোৱে বৰকৈ আমনি কৰে। এতিয়া পথাৰত ট্ৰেক্টৰৰ কাণ তাল মৰা শব্দই চুবুৰিটো গিলি পেলায়, কেঁচা মাটিৰ গোন্ধে যন্ত্ৰৰ বুকুত খামুচি ধৰে; নষ্টালজিক হৈ চুই চাওঁ কেৱল বুকুখন। গৰু, হালোৱা, কৃষক ক্ৰমশঃ নোহোৱা হৈ আহিছে। ট্ৰেক্টৰেৰেই সমাপন কৰা হৈছে কৃষিৰ সকলো কৰ্ম। হেৰাই গ'ল তেনে হৃদয় পৰশা কৃষিৰ একো একোটি পৰ্ব। সেয়ে আজি নৱ প্ৰজন্মই চিনি নাপায় নাঙল, যুঁৱলি, মৈ, কোৰ, জবকা আদি। অনুভৱ কৰিব নোৱাৰে বাৰিষাৰ পথাৰৰ আত্মিক মাদকতা, বোকা পানীৰে কটোৱা হোজা জীৱনৰ সৰলতা। আজিৰ প্ৰজন্মৰ বাবে বাৰিষাৰ চিত্ৰ মানে হ'ল বানপানীৰ ভয়াৱহতা, হাল উঠা পৰ্বটিও যেন হ'ল সধুকথা।

**শাশ্বতী শৰ্মা,**
প্ৰবক্তা (অসমীয়া বিভাগ), কলাইগাঁও মহাবিদ্যালয়,
ডাক ঃ কলাইগাঁও-৭৮৪৫২৫, ওদালগুৰি,
বি টি এডি, ফোন ঃ ৯৩৬৫৬৮০৪৮১

## 'কাজিৰঙা জাতীয় অৰ্কিড আৰু ...'

১-১৫ জুলাই, ২০২১ সংখ্যা প্ৰান্তিকত প্ৰকাশিত 'কাজিৰঙা জাতীয় অৰ্কিড আৰু জীৱবৈচিত্ৰ্য উদ্যান' শীৰ্ষক লেখাটো পঢ়ি একলম লিখাৰ লোভ সামৰিব নোৱাৰিলোঁ।

প্ৰথম কথা, কাজিৰঙাৰ কঁহৰা অঞ্চলৰ দুৰ্গাপুৰ গাঁৱত গঢ়ি তোলা উদ্যানখন পৰিভ্ৰমণ নকৰাকৈ তাৰ প্ৰাকৃতিক সৌন্দৰ্য অনুধাৱন কৰিব নোৱাৰি। উদ্যানৰ বাটচ'ৰাতেই ভিতৰত কি আছে জানিবলৈ দৰ্শকৰ মনত ঔৎসুক্য জাগে। উত্তৰ-পূৰ্বাঞ্চলত পোৱা ৰং-বিৰঙৰে ফুলি থকা বিভিন্ন প্ৰজাতিৰ অৰ্কিডে উদ্যানখনৰ শোভা দুগুণে বঢ়াইছে। বিভিন্ন প্ৰজাতিৰ অৰ্কিডকে আদি কৰি থলুৱা সম্পদসমূহৰ বৈজ্ঞানিক ভিত্তিৰে সংৰক্ষণ তথা সংবৰ্ধন প্ৰতিজন প্ৰকৃতিপ্ৰেমীকে আকৰ্ষণৰ বাবে যাথেষ্ট। প্ৰণালীবদ্ধভাৱে সজাই থোৱা অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ আপুৰুগীয়া সম্পদৰাজি, অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন মঠ-মন্দিৰৰ ফটো প্ৰদৰ্শনী, অসমৰ থলুৱা কৃষ্টি সংস্কৃতিৰে জড়িত সম্পদৰাজি পৰ্যটক কিম্বা ভৱিষ্যৎ প্ৰজন্মৰ বাবে অতিকৈ প্ৰয়োজনীয় সমলৰ উৎস হ'ব পাৰে। শৈশৱতে আইতাহঁতৰ মুখত শুনা 'ফুটাকড়ি'টোৰ অস্তিত্ব চাক্ষুষ দৃষ্টিৰে তাত আৱিষ্কাৰ কৰি মই খুব আহ্লাদিত হৈছিলোঁ। মানুহৰ মন-মগজু সহজে স্পৰ্শ কৰিব পৰা বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰ প্ৰদৰ্শন, থলুৱা খাদ্যসম্ভাৰ, নাও চালনা, টঙীঘৰ, ঝুলনা আদিৰে সকলো শ্ৰেণীৰ মানুহৰ মনত খোৱাক যোগাব পৰা পৰিৱেশ